অসম আদিত্য

❑ অসম আদিত্য, ডিব্ৰুগড় ❑ দেওবাৰ, ২০ ছেপ্টেম্বৰ, ২০২৬ ❑ ২ আহিন, ১৯৪৮ শক ❑

মত বিনিয়োগৰ বিশ্ব ব্যৱসায়ী ক আহ্বান শৰ্মাৰ

নতুন দিল্লী, ১৯ ছেপ্টেম্বৰ ঃ ৰাজ্যখনৰ কৌশলগত স্থান, সংযোগৰ উন্নতি, আন্তঃগাঁথনি সম্প্ৰসাৰণ, ক্ৰমবৰ্ধমান ২ *পৃষ্ঠাত*

জ্যোতিপ্ৰসাদ কানৈক সম্বৰ্ধনা জিডিপিচিৰ

স্বতঃস্ফূৰ্তভাৱে বন্ধ হ'ল ডিব্ৰুগড়ৰ ব্যৱসায়িক প্ৰতিষ্ঠান

বিশেষ প্ৰতিবেদক, ১৯ ছেপ্টেম্বৰ ঃ সমগ্ৰ অসমক একত্ৰিত কৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ২ *পৃষ্ঠাত*

কোচবিহাৰত মুখ্য

মধুপুৰৰ সৈ সম্পৰ্ক আ

ষ্টাফ ৰিপৰ্টাৰ, ১৯ ছেপ্টেম্বৰ ঃ মহাপুৰুষীয়া ঐতিহ্যৰ পৱিত্ৰ তীৰ্থ কৰে। তেওঁ সত্ৰত সেৱা জনোৱাৰ ল

অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় দেওবাৰ, ২০ ছেপ্টেম্বৰ, ২০২৬ ২ আহিন, ১৯৪৮ শক

স্বতঃস্ফূৰ্তভাৱে বন্ধ হ'ল ডিব্ৰুগড়ৰ ব্যৱসায়িক

প্ৰথমটো মৃত্যু তিথিত আজি গভীৰ শোক আৰু শ্ৰদ্ধাৰে জুবিনময় হৈ পৰিল সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড় মহানগৰো। আজি সন্ধিয়া মহানগৰৰ থানা চাৰিআলিত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, ডিব্ৰুগড় যুৱ সমাজ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ যৌথ উদ্যোগত তথা ডিব্ৰুগড়বাসীৰ সহযোগত আয়োজন কৰা 'জুবিন দিৱস'ত গীতে-মাতে অসমীয়াৰ জাতীয় আবেগক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত থাকি অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই কয় যে, জুবিন গাৰ্গৰ অসমীয়া জাতীয় জীৱনলৈ অৱদানৰ কথা উল্লেখ কৰি শেষ কৰিব নোৱাৰি। আজিৰ দিনটোত সমগ্ৰ অসম স্তব্ধ হৈ পৰাৰ এক অভূতপূৰ্ব পৰিৱেশৰ সৃষ্টি হৈছে, য'ত ভাষা, জাতি, জনগোষ্ঠী নিৰ্বিশেষে প্ৰতিগৰাকী অসমীয়াই জুবিন গাৰ্গক অন্তৰৰ পৰা শ্ৰদ্ধা জনাইছে। চাহ বাগান অঞ্চলৰ শ্ৰমিক ৰাইজৰ পৰা পথৰ কাষৰ সৰু সৰু চাহৰ দোকানলৈকে সকলোৱে জুবিন গাৰ্গৰ স্মৃতিত চাকি জ্বলাই যি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে, সেয়া সঁচাকৈয়ে ঐতিহাসিক। নতুন প্ৰজন্মৰ আকুলতাৰ কথা উল্লেখ কৰি বৰুৱাই কয় যে, নতুন প্ৰজন্মই জুবিন গাৰ্গক সম্পূৰ্ণৰূপে আকোঁৱালি লৈছে। গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে একেলগে জুবিন গাৰ্গৰ গীত গাই এই কথা পুনৰ প্ৰমাণ কৰিলে যে অসমৰ উদীয়মান প্ৰজন্মই ভূপেন হাজৰিকাই হওক বা জুবিন গাৰ্গেই হওক, কাকো কেতিয়াও পাহৰি নাযায়। অসমীয়া জাতি জীয়াই থকালৈকে জুবিন গাৰ্গ সকলোৰে মাজত অমৰ হৈ থাকিব। ইফালে, শিল্পীগৰাকীৰ আকস্মিক বিয়োগৰ সন্দৰ্ভত বক্তব্য ৰাখি নেতাজনে কয় যে, সমগ্ৰ অসমবাসীৰ লগতে তেওঁ নিজেও জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ উচিত ন্যায় বিচাৰে। পৰিয়াল আৰু সমগ্ৰ অসমবাসীয়ে ন্যায় পোৱাটোৱেই একমাত্ৰ কাম্য। আদালতৰ ওপৰত সকলোৰে সম্পূৰ্ণ বিশ্বাস আছে আৰু আদালতে দিয়া ৰায়ে অসমবাসীক নিশ্চিতভাৱে আশ্বস্ত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইয়াৰ উপৰি অসম চৰকাৰেও নিজৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিব লাগিব বুলি মন্তব্য কৰি ঋতুপৰ্ণ বৰুৱাই 'জুবিন দিৱস'ৰ সাংস্কৃতিক কাৰ্যসূচীৰ উদ্বোধন কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকি জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ সৈতে সুদীৰ্ঘ সময় ধৰি বাদ্যযন্ত্ৰ সংগত কৰা ডিব্ৰুগড়ৰ জ্যেষ্ঠ বাদ্যশিল্পী চাণ্টো কাকতিয়ে জুবিন গাৰ্গৰ সৈতে কটোৱা চাৰি দশকজোৰা ব্যক্তিগত স্মৃতি ৰোমন্থণ কৰে। নিজা বক্তব্যত বাদ্যশিল্পীগৰাকীয়ে ১৯৯২ চনৰ অনামিকা কেছেটৰ পৰা আৰম্ভ কৰি ডিব্ৰুগড়ৰ প্ৰিয়ংকা ষ্টুডিঅ', গুৱাহাটীত বাদ্য বজোৱা দিনবোৰ আৰু পৰৱৰ্তী সময়ত দুয়োৰে মাজত গঢ় লৈ উঠা গভীৰ বন্ধুত্বৰ কথা উল্লেখ কৰে। অসমীয়া সংগীত উদ্যোগটোক 'হিয়া দিয়া নিয়া' চিনেমাৰ গীতৰ জৰিয়তে পুনৰুজ্জীৱিত কৰা জুবিন গাৰ্গৰ অনন্য মানৱীয় গুণ, বাটৰ জীৱ-জন্তুলৈ দেখুওৱা মৰম-স্নেহ, মুম্বাইলৈ যোৱাৰ সময়ৰ কাহিনী তথা বিভিন্ন যাত্ৰাৰ আবেগিক আৰু আমোদজনক কাহিনী শুনি সমবেত ৰাইজ আবেগিক হৈ পৰে। পৰৱৰ্তী সময়ত তেওঁ ছেক্স'ফোনত 'মায়াবানী ৰাতিৰ বুকুত' গীতটি পৰিৱেশন কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি তথা অসম আদিত্যৰ সম্পাদক মনজিৎ বৰাই অনুষ্ঠানত জুবিন গাৰ্গৰ স্বকীয় ব্যক্তিত্ব, শুদ্ধ শব্দৰ উচ্চাৰণ আৰু অসমীয়া ভাষা-সাহিত্য তথা সংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বিষয়ে আলোকপাত কৰি চমু তথা তাৎপৰ্যপূৰ্ণ বক্তব্য দাঙি ধৰে। উক্ত কাৰ্যসূচীৰ অন্যতম মুখ্য আকৰ্ষণ আছিল বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ বিশেষ সম্বৰ্ধনা অনুষ্ঠান। এই অনুষ্ঠানত ডিব্ৰুগড়ৰ বিশিষ্ট সমাজকৰ্মী তথা চাৰ্টাৰ্ড একাউণ্টেণ্ট জ্যোতি প্ৰসাদ কানৈক তেওঁ সমাজলৈ আগবঢ়োৱা নিস্বাৰ্থ অৱদানৰ বাবে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ তৰফৰ পৰা এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত জাপি, গামোচা, চেলেং আৰু প্ৰশস্তি-পত্ৰৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে চাণ্টো কাকতিয়ে আৰু পৰৱৰ্তী সময়ত উপস্থিত সকলোৱে শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানটিৰ আঁত ধৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক তথা ডিব্ৰুগড় সাহিত্য সভাৰ সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে। ডিব্ৰুগড় যুৱ সমাজৰ সভাপতি খগেন দত্তই জুবিন দিৱস উদ্‌যাপনৰ তাৎপৰ্য চমুকৈ ব্যাখ্যা কৰাৰ লগতে ডিব্ৰুগড় জিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়া সুদৰ্শন বৰা আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইয়েও থুলমূলকৈ বক্তব্য আগবঢ়ায়। সাংস্কৃতিক কাৰ্যসূচীত জিতেন দাসৰ পৰিচালনাত ডিবৰু লোকসাংস্কৃতিক কেন্দ্ৰই দিহানাম পৰিৱেশন কৰে। অনাতাঁৰ শিল্পী ভুবন গগৈৰ তত্ত্বাৱধানত মূৰ্চ্ছনা সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে সমবেতভাৱে জুবিন গাৰ্গৰ জনপ্ৰিয় গীতসমূহ পৰিৱেশন কৰি উপস্থিত শ্ৰোতাক মুগ্ধ কৰে। শিশু শিল্পী অনচ্ প্ৰতীম বুঢ়াগোহাঁই আৰু তৃষাদশী গগৈৰ গীত, ৰুবী গগৈ সন্দিকৈৰ পৰিচালনাত নৃত্যাংগণ কলা কেন্দ্ৰৰ শিক্ষাৰ্থীসকলৰ জুবিন গাৰ্গৰ গীতৰ তালে তালে মনোমোহা নৃত্য আৰু কেছিঅ'ত বজোৱা সুৰ সমলয়ে সমগ্ৰ পৰিৱেশ জীপাল কৰি তোলে। ইয়াৰ উপৰি তিনিচুকীয়াৰ শিল্পী দীশা গগৈ, উদীয়মান শিল্পী ৰতন গগৈ, দিগন্ত চেতিয়া, জনপ্ৰিয় কণ্ঠশিল্পী পম্পী পূৰৱী, অনাতাঁৰ শিল্পী ভুবন গগৈ আৰু অসীম বৰুৱাই গীত পৰিৱেশন কৰে। জুবিন গাৰ্গৰ সৈতে মঞ্চত অংশগ্ৰহণ কৰা বিশেষ শিল্পী জুপিতৰা কাকতিৰ গীত আৰু ৰাকেশ পাত্ৰ তথা আকাংক্ষা প্ৰাপ্তীৰ দ্বৈত কণ্ঠৰ পৰিৱেশনে দৰ্শকক মুগ্ধ কৰে। ডিবৰু লোকসাংস্কৃতিক কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে বাঁহীত জুবিনৰ কালজয়ী গীত 'মায়াবিনী'ৰ সুৰ তুলি এক অনন্য পৰিৱেশৰ সৃষ্টি কৰে। সাংস্কৃতিক নিশালৈ মূৰ্চ্ছনা সংগীত বিদ্যালয়ৰ অভিভাৱিকা, সাহিত্য সভাৰ সদস্যসকল তথা ডিবৰু লোকসাংস্কৃতিক কেন্দ্ৰৰ শিক্ষাৰ্থীসকলেও নৃত্য-গীত পৰিৱেশন কৰে। তিনিশৰো অধিক জুবিন অনুৰাগী, তিনিওটা উদ্যোক্তা সংগঠনৰ বিষয়ববীয়া তথা অঞ্চলটোৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তিৰ উপস্থিতিয়ে থানা চাৰিআলিৰ এই ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিক এক অভূতপূৰ্ব ৰূপ দিয়ে। ইফালে, অসমীয়া সংগীত জগতৰ আকাশৰ ধ্ৰুৱতৰা, হাৰ্টথ্ৰ'ব তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথমটো পুণ্যতিথিত আজি ডিব্ৰুগড়ত দেখা গ'ল এক অভূতপূৰ্ব আৰু মৰ্মস্পৰ্শী দৃশ্য। কোনো বিশেষ দল বা সংগঠনে আনুষ্ঠানিক বন্ধৰ আহ্বান নজনোৱাকৈয়ে প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনাই ডিব্ৰুগড়ৰ ব্যৱসায়ীসকলে নিজাববীয়াকৈ নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ সম্পূৰ্ণৰূপে বন্ধ ৰাখে। ইয়াৰ লগতে চহৰখনত যাত্ৰীবাহী যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰে। স্থানীয় ৰাইজে জনসাধাৰণৰ এই স্বতঃস্ফূৰ্ত বন্ধক ডিব্ৰুগড়ৰ ইতিহাসত এক অনন্য আৰু অভূতপূৰ্ব পৰিঘটনা বুলি অভিহিত কৰিছে, যিয়ে জুবিন গাৰ্গৰ সৈতে সাধাৰণ মানুহৰ থকা গভীৰ আবেগিক সম্পৰ্কক পুনৰ প্ৰমাণ কৰিলে। শিল্পীজনৰ স্মৰণত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাই গ্ৰহণ কৰা বিশেষ সেৱামূলক কাৰ্যসূচীয়ে প্ৰশংসা বুটলে। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থা আৰু লায়ঞ্চ কে কে ছাহাৰিয়া চকু চিকিৎসালয়ৰ যৌথ উদ্যোগত চৌকিডিঙ্গী খেলপথাৰত এক বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত ৫০০ গৰাকী লোকৰ বিনামূলীয়াকৈ চকু পৰীক্ষা কৰাৰ লগতে ৩০০ গৰাকীক চশমা আৰু ২০ গৰাকী ছানি পৰা ৰোগীক বিনামূলীয়াকৈ অস্ত্ৰোপচাৰৰ ব্যৱস্থা কৰা হয়। আছুৰ প্ৰতিনিধিসকলে এই কাৰ্যসূচীক প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি এক প্ৰকৃত সেৱামূলক শ্ৰদ্ধাঞ্জলি বুলি ব্যক্ত কৰে। সন্ধিয়াৰ ভাগত বন্তি প্ৰজ্বলন কৰাৰ লগতে আছুৰ কাৰ্যসূচীত সমবেত কণ্ঠেৰে জুবিন গাৰ্গৰ কালজয়ী গীত 'মায়াবিনী ৰাতিৰ বুকুত' পৰিৱেশনত চৌপাশৰ পৰিৱেশ আবেগিক হৈ পৰে। উক্ত দিনটোত চহৰখনত কেইবাটাও সামাজিক আৰু ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হয়। ডিব্ৰুগড় জুবিন গাৰ্গ ফেন ক্লাব আৰু ডিব্ৰুগড় মিউজিচিয়ানছ এছ'চিয়েশ্যনৰ যৌথ উদ্যোগত চৌকিডিঙ্গী খেলপথাৰত পুৱাই 'জুবিন দিৱস' পালন কৰা হয়, য'ত হিন্দু, শিখ, মুছলমান, খ্ৰীষ্টান, বৌদ্ধ আৰু জৈনকে ধৰি সকলো সম্প্ৰদায়ৰ ধৰ্মীয় গুৰুসকলৰ উপস্থিতিত এক সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা আৰু ভাগৱত পাঠ অনুষ্ঠিত হয়। ইয়াৰ উপৰি, অসম প্ৰদেশ বিজেপিৰ আহ্বানমৰ্মে ডিব্ৰুগড় বিজেপিৰ কাৰ্যালয়ত বিধায়ক প্ৰশান্ত ফুকন আৰু ৰাজ্যিক সাধাৰণ সম্পাদক ঋতুপৰ্ণ বৰুৱাৰ উপস্থিতিত অনুষ্ঠিত ৰক্তদান শিবিৰত ১০০ ইউনিটৰো অধিক ৰক্ত সংগ্ৰহ কৰা হয়। আনহাতে, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলেও মহাবিদ্যালয়খনৰ 'মায়াবিনী পথ'ত নিজৰ বিশেষ শৈলীৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়তো অনুৰূপ দৃশ্য পৰিলক্ষিত হয়। সমগ্ৰ দিনটোত গীত-মাত, সামাজিক সেৱা আৰু অভূতপূৰ্ব স্বতঃস্ফূৰ্ত সঁহাৰিৰে ডিব্ৰুগড়ৰ ৰাইজে প্ৰমাণ কৰি দিলে যে জুবিন গাৰ্গ প্ৰতিজন অসমীয়াৰ হৃদয়ত চিৰদিন অমৰ হৈ ৰ'ব।